জাতিৰ আবেগ সমাজৰ বিবেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

...ীয়া, দ্বাবিংশতিতম বছৰ, সংখ্যা ২৬০ ● সোমবাৰ ● ১৭ জেঠ ● ১৯৪৮ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Monday June 1, 2026 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰপৰা প্ৰকা...

## ডিব্ৰুগড় জিলা কুৰ্মি সমাজৰ কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা




ডিব্ৰুগড় ঃ ষ্টাফ ৰিপৰ্টাৰ, ৩১ মে' ঃ 'সময়ৰ সদ্ব্যৱহাৰ সফলতাৰ মূল চাবি-কাঠী। সময়ক উপযুক্তভাৱে ব্যৱহাৰ কৰিলেহে জীৱনত সফলতা লাভ কৰিব পাৰি।' ডিব্ৰুগড় জিলা কুৰ্মি সমাজ, ডিব্ৰুগড় জিলা কুৰ্মি যুৱ ছাত্ৰ পৰিষদ আৰু ডিব্ৰুগড় জিলা কুৰ্মি মহিলা পৰিষদৰ যৌথ উদ্যোগত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত অনুষ্ঠিত ডিব্ৰুগড় জিলা কুৰ্মি সমাজৰ কৃতী ছাত্ৰ-ছাত্ৰীৰ সম্বৰ্ধনা অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক, ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট লেখক, সাহিত্যিক তথা ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ অধ্যক্ষ কৰ্মসূৰ্য ডঃ শশীকান্ত শইকীয়াই আজি এইদৰে কয়। ডিব্ৰুগড় জিলা কুৰ্মি সমাজৰ সম্পাদক জগত কুৰ্মিয়ে আঁত ধৰা তথা ডিব্ৰুগড় জিলা কুৰ্মি সমাজৰ সভাপতি হৰিৎ কুৰ্মিয়ে সভাপতিত্ব কৰা সভাখনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান তিনিচুকীয়াৰ অধ্যক্ষ ৰাজু গোপালে উপস্থিত সম্বৰ্ধিত ছাত্ৰ-ছাত্ৰীসকলক ঔদ্যোগিক প্ৰতিষ্ঠানত অধ্যয়নৰ বিভিন্ন সুবিধাৰ বিষয়ে বহুখিনি কথা অৱগত কৰে। বৰহাট ভৱানী প্ৰসাদ বৰুৱা মহাবিদ্যালয়ৰ অধ্যাপক ৰাবীন্দ্ৰ দাসে উপস্থিত ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যৎ জীৱনত ল'ব লগা সাৱধানতা আৰু বিভিন্ন পদক্ষেপসমূহৰ বিষয়ে অৱগত কৰে। বিশিষ্ট সমাজকৰ্মী তথা জ্যোতি ললিতা কানৈ ফাউণ্ডেশ্যনৰ সঞ্চালক জ্যোতি প্ৰসাদ কানৈক 'জ্ঞানশ্ৰী' বঁটাৰে কুৰ্মি সমাজে বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানটোত অসম কুৰ্মি সমাজৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক প্ৰবীণ কুৰ্মি, এছ কে এছ ইংলিছ একাডেমি লাহোৱালৰ স্বত্বাধিকাৰী দয়াদন্দ শ্বাহ, অসম চাহ জনজাতি ছাত্ৰ সন্থা ডিব্ৰুগড় জিলাৰ সভাপতি বিমল বাগে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি মননশীল বক্তব্য প্ৰদান কৰে। অনুষ্ঠানটোত চলিত বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত কলা আৰু বিজ্ঞান শাখাত সৰ্ব্বোচ্চ নম্বৰ প্ৰাপ্ত তিনিগৰাকী ছাত্ৰ-ছাত্ৰী ক্ৰমে ৰিদিপ কুৰ্মি, লীনা কুৰ্মি আৰু সুকন্যা কুৰ্মিক বিশেষ সম্বৰ্ধনা আৰু ভৱিষ্যৎ শিক্ষা জীৱনৰ বাবে আৰ্থিক সাহাৰ্য্য আগবঢ়োৱাৰ লগতে ডিব্ৰুগড় জিলাৰ প্ৰায় ডেৰ শতাধিক কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে অসম কুৰ্মি যুৱ ছাত্ৰ পৰিষদৰ সভাপতি ডিম্বেশ্বৰ কুৰ্মি, চাহ জনগোষ্ঠী জাতীয় মহাসভা ডিব্ৰুগড় জিলাৰ সভাপতি মন্তুষ কুৰ্মি, এছ কে এছ ইংলিছ একাডেমি লাহোৱালৰ সঞ্চালিকা মুন শ্বাহ, অসম কুৰ্মি মহিলা পৰিষদৰ উপ-সভানেত্ৰী বেলিমাই কুৰ্মি। অনুষ্ঠানতে ৰক্তদান কৰা তিনিগৰাকী ৰক্তদাতা ক্ৰমে ৰাজু কুৰ্মি, পোনা কুৰ্মি আৰু অজয় কুৰ্মিক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। শলাগ জ্ঞাপন কৰে ডিব্ৰুগড় জিলা কুৰ্মি সমাজৰ সম্পাদক জগত কুৰ্মিয়ে।

## বীৰ বিৰছা মুণ্ডাৰ ...
## সংখ্যক শ্বহীদ দি...

খোৱাং ঃ নিজা প্ৰতিবেদক, ৩১ ...
মুণ্ডা মহাসভা খোৱাং আঞ্চলিক ...
মহিলা সমিতি আৰু যুৱ পৰিষদ আ...
প্ৰাথমিক গোটৰ লগতে আঞ্চলি...
অন্তৰ্গত সমূহ প্ৰাথমিক গোটৰ লগতে...
সমিতিৰ অন্তৰ্গত সমূহ প্ৰাথমিক ...
স্থানীয় ৰাইজৰ সহযোগত অহা ৯ জুন...
চাহ বাগিচাৰ প্ৰেক্ষাগৃহত ৰাষ্ট্ৰীয় শ্বহীদ...
মুণ্ডাৰ ১২৬ সংখ্যক শ্বহীদ দিৱস ...
লগত সংগতি ৰাখি উচ্চ আৰু উচ্চতৰ...
শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ...
ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা অনুষ্ঠানৰ ...
কৰিছে। কাৰ্যসূচী অনুসৰি, পুৱা সামুহি...
অভিযানৰপাছতে পতাকা উত্তোলন, ব...
(চিৰমা চিংবংগা থানত), শ্বহীদ বীৰ বি...
প্ৰতিচ্ছবিত পুষ্প মাল্যাৰ্পণ, স্মৃতি তৰ্প...
বিৰতি। বিয়লি স্মৃতিচাৰণ সভা আৰু...
অনুষ্ঠান। সভাপতিত্ব কৰিব মুহিম মুণ্ডা...
উদ্দেশ্য ব্যাখ্যা কৰিব ফিলিপ মুণ্ডা...
অতিথিৰূপে উপস্থিত থাকিব জিলা ...
দানেল মুণ্ডা, কেন্দ্ৰীয় মহিলা সভানে...
মুণ্ডা আৰু জয়ন্ত মুণ্ডা। নিৰ্দিষ্ট বক্তাৰ ...
কেন্দ্ৰীয় উপদেষ্টা এটোৱা মুণ্ডাই।